# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক উদ্দেশি দিয়া ভাষণেৰে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব।

২। ভাৰতে শীঘ্ৰে বহনসাধ্য দৰত দেশতে নিৰ্মিত কৃত্ৰিম বুদ্ধিমত্তা মডেল প্ৰৱৰ্তন কৰিব।

৩। উত্তৰ প্ৰদেশ চৰকাৰে মহাকুম্ভ মেলাত হোৱা হেঁচা-ঠেলাৰ ঘটনাৰ কাৰণ চালি জাৰি চোৱাৰ বাবে গঠন কৰা ন্যায়িক আয়োগে আজি প্ৰয়াগৰাজৰ সংগম ঘাট পৰিদৰ্শন কৰিব।

৪। হামাছে ইজৰাইলৈৰ সৈতে হোৱা যুদ্ধ বিৰতি চুক্তিৰ অংশ হিচাপে কালি আৰু ৮ জন পণবন্দীক মুকলি কৰি দিয়ে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখেল আজি পুনেত খেলোৱা হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক উদ্দেশি দিয়া ভাষণেৰে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব। ৰাষ্ট্ৰপতিৰ অভিভাষণৰ পাছতেই কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত অৰ্থনৈতিক সমীক্ষা দাখিল কৰিব।

বিত্তমন্ত্ৰী সীতাৰমনে কাইলৈ সংসদত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। সোমবাৰে ৰাজ্যসভা আৰু লোকসভাত ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা হ'ব। বাজেট অধিৱেশনৰ সময়ছোৱাত বিত্ত বিধেয়ক ২০২৫, ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪, ইমিগ্ৰেচন আৰু বিদেশী বিধেয়ক ২০২৫, বেংকিং আইন সংশোধনী বিধেয়ক ২০২৪ আৰু ৰে'লৱে সংশোধনী বিধেয়ক ২০২৪, আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব। ১৩ ফেব্ৰুৱাৰীত দুটা পৰ্যায়ত হ'বলগীয়া এইবাৰৰ বাজেট অধিৱেনৰ প্ৰথম পৰ্যায়ৰ সামৰণি পৰিব। অধিৱেশনৰ দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ চলিব।

০০০০০

ভাৰতে শীঘ্ৰে বহনসাধ্য দৰত দেশতে নিৰ্মিত কৃত্ৰিম বুদ্ধিমত্তা মডেল প্ৰৱৰ্তন কৰিব। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা ঘোষণা কৰে। শ্ৰীবৈষ্ণৱে কয়, যে বিশ্বত এই ধৰণৰ মডেলৰ প্ৰতি ঘণ্টাৰ ব্যৱহাৰৰ বাবদ আঢ়ৈৰ পৰা ৩ ডলাৰ খৰচ হয়। ইয়াৰ বিপৰীতে কৃত্ৰিম বুদ্ধিমত্তাৰ ভাৰতীয় মডেলৰ ক্ষেত্ৰত এঘণ্টা ব্যৱহাৰৰ বাবে ৪০ শতাংশ ৰাজ সাহায্যৰ

পাছত প্ৰায় ১০০ টকা খৰছ হয়। আকৰ্ষণীয় ৬ মহীয়া আৰু বাৰ্ষিক প্লেনৰ ফলত এই খৰচ আৰু কম হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কৃষি ক্ষেত্ৰ, শিক্ষাৰ অক্ষমতা আৰু জলবায়ু পৰিৱৰ্তনৰ সৈতে জড়িত ১৮টা নাগৰিক কেন্দ্ৰীয় এপ্লিকেচন এই কৃত্ৰিম বুদ্ধিমত্তা আৰ্হিৰ অংশ হ'ব। শ্ৰীবৈষ্ণৱে কয়, যে ভাৰতীয় কৃত্ৰিম বুদ্ধিমত্তা আৰ্হি এটা সময়োচিত পদক্ষেপ কিয়নো ভাৰত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সদায় বিশ্বাসযোগ্য দেশ হিচাপে পৰিগণিত হৈ আহিছে। এই পদক্ষেপে অনাগত সময়ত নৈতিক কৃত্ৰিম বুদ্ধিমত্তা সমাধান সূত্ৰৰ ক্ষেত্ৰত অধিক বিশ্বাসযোগ্য কাৰিকৰী কেন্দ্ৰৰূপে উত্থান লাভ কৰাত ভাৰতক সহায় কৰিব বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে। ডীপছিক লৈ সৃষ্টি হোৱা গোপনীয়তা ৰক্ষাৰ উদ্বেগ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীবৈষ্ণৱে কয়, যে সুৰক্ষাজনিত পৰীক্ষাৰ পাছতহে ইয়াক ভাৰতীয় চাৰ্ভাৰত সংযুক্ত কৰা হ'ব যাতে ব্যৱহাৰকাৰী আৰু ছফ্‌টৱেৰ নিৰ্মাতাসকল ইয়াৰ চোৰ্চ কোডৰ পৰা উপকৃত হ'ব পাৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰ্থনৈতিক চিন্তাধাৰা সৰ্বাত্মক। শ্ৰীবৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰীয়ে আধুনিক প্ৰযুক্তি সকলোৰে বাবে সুলভ কৰি তোলাত বিশ্বাস কৰে যাতে সমাজৰ একেবাৰে নিম্নস্তৰৰ লোকসকলৰ অৰ্থনৈতিক সৰলীকৰণ সুনিশ্চিত কৰিব পৰা যায়।

ooooo

উত্তৰ প্ৰদেশ চৰকাৰে মহাকুম্ভ মেলাত হোৱা হেঁচা-ঠেলাৰ ঘটনাৰ কাৰণ চালি জাৰি চোৱাৰ বাবে গঠন কৰা ন্যায়িক আয়োগে আজি প্ৰয়াগৰাজৰ সংগম ঘাট পৰিদৰ্শন কৰিব। আয়োগে হেঁচা-ঠেলাৰ ঘটনাৰ কাৰণ আৰু পৰিস্থিতিৰ তদন্ত কৰিব আৰু এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। তেওঁলোকে ভৱিষ্যতে এনেধৰণৰ ঘটনা ৰোধ কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে পৰামৰ্শ আগবঢ়াব। এলাহবাদ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ হৰ্ষ কুমাৰে এই ৩ জনীয়া আয়োগৰ নেতৃত্ব বহন কৰিছে।

ইপিনে, উত্তৰ প্ৰদেশৰ মুখ্য সচিব মনোজ কুমাৰ সিং আৰু আৰক্ষী সঞ্চালক প্ৰধান প্ৰশান্ত কুমাৰে কালি মহাকুম্ভৰ সংগম ঘাট পৰিদৰ্শন কৰে আৰু হেঁচা-থেলাৰ ঘটনাৰ স্থান নিৰীক্ষণ কৰে। তেওঁলোকে প্ৰশাসনক সক্ৰিয় হৈ থাকিবলৈ আৰু উন্নত দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনায় যাতে আসন্ন অমৃত স্নান সুচাৰু ৰূপে সম্পন্ন কৰিব পৰা যায়। তেওঁলোকে লগতে অধিক লোকৰ সমাগম হোৱা ঠাইসমূহত অধিক বিষয়া নিয়োগ কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, কুম্ভমেলাত মৌনি অমাৱস্যাৰ সময়ত অমৃত স্নানৰ বুধবাৰে হোৱা হেঁচা-ঠেলাৰ ঘটনাত পদপিষ্ট হৈ ৩০ জন লোকে প্ৰাণ হেৰুৱাইছিল।

ooooo

প্ৰয়াগৰাজৰ জিলাধিপতি ৰবীন্দ্ৰ কুমাৰ মন্দাৰে যাত্ৰাপথ সলনি কৰাৰ বাবে বাহনৰ প্ৰৱেশত প্ৰতিবন্ধকতা আৰোপ কৰা বুলি একাংশ সংবাদ মাধ্যমত ওলোৱা বাতৰি খণ্ডণ কৰিছে। সামাজিক মাধ্যমত বহুলভাৱে প্ৰচাৰিত এটা পোষ্টত ৪ ফেব্ৰুৱাৰী পৰ্যন্ত প্ৰয়াগৰাজত বাহনৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে বুলি দাবী কৰা হৈছিল। ইয়াৰ পাছতেই জিলাধিপতি শ্ৰীমন্দাৰে এটা ভিডিঅ' বাৰ্তা যোগে আজি, কাইলৈ আৰু ৪ ফেব্ৰুৱাৰীত যাত্ৰাপথ সলনি কৰা নহয় বুলি স্পষ্ট কৰি দিয়ে। তেওঁ লগতে বসন্ত পঞ্চমী উপলক্ষে হ'বলগীয়া অমৃত স্নানৰ বাবে ২ আৰু ৩ ফেব্ৰুৱাৰীত প্ৰয়াগৰাজত বাহনৰ প্ৰৱেশ নিষিদ্ধ থাকিব বুলি জানিবলৈ দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশ ক্ষেত্ৰত ভাৰতৰ শক্তিত বিশ্বাস ৰাখিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। শ্ৰীমোদীয়ে কালি সামাজিক মাধ্যম যোগে বিগত ১০ বছৰত দেশৰ মহাকাশ যাত্ৰাৰ বিষয়ে উল্লেখ কৰি এইদৰে আহ্বান জনায়। তেওঁ কয়, যে ভাৰতে ২০১৪ চনৰে পৰা মুঠ ৪৫৭টা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰিছে। এই সময়ছোৱাত দেশে ৩৯৮টা বিদেশী কৃত্ৰিম উপগ্ৰহও উৎক্ষেপন কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ বিশ্ব গ্ৰন্থমেলা আৰম্ভ হ'ব। এই বছৰৰ বিশ্ব গ্ৰন্থমেলাৰ মূল বিষয় হৈছে- **আমি ভাৰতৰ জনসাধাৰণ**। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি এই বিষয়টো গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুই ৯ দিনীয়াকৈ আয়োজিত এই গ্ৰন্থমেলা উদ্বোধন কৰিব। নেচনেল বুক ট্ৰাষ্টৰ সঞ্চালক যুৱৰাজ মালিকে আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কয়, যে এইবাৰৰ বিশ্ব গ্ৰন্থমেলাত ৰাছিয়াই মুখ্য দেশ হিচাপে ভাগ ল'ব। ফ্ৰান্স, আৰ্জেণ্টিনা, স্পেইন, কলম্বিয়া, আবুধাবি আৰু কাটাৰকে ধৰি ৫০ খন দেশে এই গ্ৰন্থমেলাত  অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাত দুহেজাৰৰো অধিক প্ৰকাশক আৰু প্ৰায় এহেজাৰ বক্তাই ভাগ ল'ব।

ooooo

হামাছে ইজৰাইলৰ সৈতে হোৱা যুদ্ধ বিৰতি চুক্তিৰ অংশ হিচাপে ৩ জন ইজৰাইলী আৰু থাইলেণ্ডৰ ৫ জন নাগৰিকসহ মুঠ ৮ জন পণবন্দীক কালি মুকলি কৰি দিয়ে। ইজৰাইল আৰু পেলেষ্টাইন গোটসমূহৰ মাজত হোৱা যুদ্ধ বিৰতি চুক্তিৰ অধীনত পনবন্দী আৰু কাৰাবন্দী বিনিময়ত তৃতীয় পৰ্যায়ৰ অংশহিচাপে এই পণবন্দী কেইজনক মুকলি কৰি দিয়া হয়।

ইপিনে, দক্ষিণ গাজাত পণবন্দী হস্তান্তৰ প্ৰক্ৰিয়াত সৃষ্টি হোৱা অৰাজকতাৰ বাবে হোৱা বিলম্বৰ পাছত ইজৰাইল কৰ্তৃপক্ষই কালি ১১০ জন পেলেষ্টাইনী কয়দীক মুকলি কৰি দিয়ে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনৰ আকাশত আমেৰিকান সেনা বাহিনীৰ ব্লেক-হক হেলিকপ্টাৰ আৰু এখন যাত্ৰীবাহী বিমানৰ মাজত সংঘটিত হোৱা দুৰ্ঘটনাত আটাইকেইজন লোকৰে মৃত্যু হোৱা বুলি ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে নিশ্চিতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, দেশখনৰ ৰোণাল্ড ৰেমন বিমান বন্দৰৰ সমীপত সংঘটিত হোৱা দুৰ্ঘটনাটোত সেনা বাহিনীৰ হেলিকপ্তাৰখনত ৩ জনকৈ সেনা জোৱান থকাৰ লগতে যাত্ৰীবাহী বিমানখনত ৬৪ গৰাকী যাত্ৰী আছিল। কালি নিশা হোৱাইট হাউছত এখন সংবাদমেল সম্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এই দুৰ্ঘটনাৰ বাবে সমগ্ৰ আমেৰিকা শোকাহত বুলি কোৱাৰ লগতে ঘটনাৰ তদন্ত অব্যাহত আছে বুলিও জানিবলৈ দিয়ে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখেল আজি পুনেত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে এই খেলখনত জয়লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰাৰ চেষ্টা চলাব। আনহাতে, ইংলেণ্ডে খেলখনত বিজয় সাব্যস্ত কৰি শৃংখলাত ক্ষমতা স্থাপনৰ চেষ্টা চলাব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। ইংলেণ্ডে মঙলবাৰে ৰাজকোটত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰতক ২৬ ৰানত পৰাস্ত কৰিছিল।

ooooo

ভাৰত আজি মালয়েছিয়াৰ কোৱালালামপুৰত হ'বলগীয়া মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দুপৰীয়া ১২ বজাত আৰম্ভ হ'ব। নিকি প্ৰসাদ নেতৃত্বাধীন ভাৰতীয় দলটোৱে এইবাৰৰ প্ৰতিযোগিতাত বেটে বলে সুন্দৰ প্ৰদৰ্শন আগবঢ়াইছে। ইয়াৰ বিপৰীতে ইংলেণ্ড দলটো ছুপাৰ ছিক্স পৰ্যায়ক দুখন খেলত জয়ী হৈছে আৰু দুখনত পৰাজিত হৈছে।

ইয়াৰ পূৰ্বে একেটা স্থানত দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰথমখন ছেমি ফাইনেল খেলোৱা হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৮ বজাত আৰম্ভ হ'ব। ফাইনেল খেলখন দেওবাৰে অনুষ্ঠিত হ'ব।

ooooo

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ভাৰত্তোলন প্ৰতিযোগিতাসমূহ কালিৰে পৰা আৰম্ভ হৈছে। পুৰুষৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত ছত্তিশগড়ৰ বিজয় কুমাৰে সোণৰ পদক লাভ কৰাৰ লগতে মহাৰাষ্ট্ৰৰ মুকন্দ সন্তোষ আৰু গাউড আকাশ শ্ৰীনিৱাসে ৰূপৰ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

**সমাপ্ত**